যিয়ে ৰোজা অৱস্থাত ভুলবশতঃ কিবা খাইছে অথবা সেৱন কৰিছে, সি ৰোজা পূৰ্ণ কৰা উচিত। কাৰণ আল্লাহেই তাক খুৱাইছে আৰু পান কৰোৱাইছে।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যিয়ে ৰোজা অৱস্থাত ভুলবশতঃ কিবা খাইছে অথবা সেৱন কৰিছে, সি ৰোজা পূৰ্ণ কৰা উচিত। কাৰণ আল্লাহেই তাক খুৱাইছে আৰু পান কৰোৱাইছে।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত উল্লেখ কৰিছে যে, যদি কোনো ব্যক্তিয়ে ৰোজা অৱস্থাত ফৰজ ৰোজা হওক বা নফল ৰোজা, ভুলতে কিবা খায় বা পান কৰে তেন্তে তাৰ সেই ৰোজা ভংগ নহ'ব বৰং সি সেই ৰোজাটো পূৰ্ণ কৰা উচিত। কিয়নো সি ইচ্ছাকৃতভাৱে ভংগ কৰা নাই। এইটো হৈছে এনেকুৱা এটা জীৱিকা, যিটো আল্লাহে বান্দাৰ বাবে যোগান ধৰিছে তথা তাক খুৱাইছে আৰু পান কৰোৱাইছে।

https://sunnah.global/hadeeth/as/show/4525